# তামোল খেতি

তামোল খেতি অসমত বহু পুৰণি কালৰে পৰা কৰি অহা হৈছে। তামোল গছ এবিধ বহু বৰ্ষীয় গছ। এবাৰ লগাই লোৱাৰ পিচত বহু বছৰ পৰ্য্যন্ত উৎপাদন পোৱা যায়। ভাল গুণবিশিষ্ট আৰু অধিক উৎপাদন পাবৰ বাবে ভাল সঁচৰ তামোল ৰোৱা একান্ত প্ৰয়োজন। তাৰোপৰি তামোল খেতিত ল'বলগীয়া ভালেমান যত্ন আছে যিখিনি পালন কৰিলে উৎপাদন অধিক বঢ়াব পাৰি। এই ক্ষেত্ৰত পুলিপালনৰ পৰা আৰম্ভ কৰি সাৰ যোগান, পানী যোগান ইত্যাদি বিভিন্ন পৰিচৰ্য্যাদি পালন কৰিবলগীয়া আছে।

**তামোলৰ পুলি প্ৰস্তুতি ঃ**

**জাত নিৰ্বাচন ঃ** জাত হিচাবে অসমত পুৰণি দিনৰে পৰা খেতি কৰি অহা স্থানীয় সঁচ ব্যৱহাৰ কৰিব পাৰি। অৱশ্যে নতুন জাত হিচাবে মোহিতনগৰ নামৰ এবিধ ভাল সঁচ অসমৰ কাষৰ ৰাজ্য পশ্চিমবঙ্গৰ পৰা উদ্ভাৱন কৰি উলিয়াইছে।

সাধাৰণতে জাত নিৰ্বাচন কৰাৰ পিচত পুলি পচাবৰ বাবে কিছুমান নিৰ্দ্দিষ্ট নিয়ম মানি চলিব লাগে।

১। নিৰ্বাচন কৰা তামোল গছৰ বয়স বাৰ বছৰৰ ওপৰ হ'ব লাগে।

২। নিৰ্বাচিত গছজোপাত তিনি বা ততোধিক ঠোক থকা উচিত।

৩। প্ৰতি ঠোক তামোলক সংখ্যা হিচাপত গড়ে ২৫০ টা অধিক হোৱা উচিত।

৪। সংখ্যাৰ উপৰিও প্ৰতি কিলোগ্ৰাম হিচাবত ২৫-৩০ টা তামোল থকা উচিত।

৫। পচাবলৈ অনা তামোল পৰাপক্কত শিৰ নমৰা, নিৰোগী গছৰ আৰু সোৱাদ থকা হ'ব লাগে।

৬। পচাবলৈ বিচৰা তামোল, গছৰ পৰা সাৱধানে পাৰিব লাগে। এটা কথা মনত ৰাখিব লাগে যে তামোল গছৰ পৰা পাৰি অনাৰ পৰা ভেটিত পচোৱালৈ, ব্যৱধান এসপ্তাহৰ অধিক হ'ব দিব নালাগে। অন্যথাই তামোল শুকাই শুকাই যাব পাৰে। পাৰি অনা তামোল দুই বা তিনি সপ্তাহলৈ পানীত গোৱাই ৰাখিব পাৰিলে ভাল।

**তামোল পচোৱা সময় ঃ** আহাৰ মাহৰ সাত ভঙাৰ পিচত গোটেই শাওন মাহ পৰ্য্যন্ত অৰ্থাৎ জুন মাহৰ তৃতীয় সপ্তাহৰ পৰা জুলাই মাহৰ শেষলৈকে তামোল পচাব পাৰি।

**মাটি নিৰ্বাচন ঃ** তামোল পচাবৰ বাবে ওখ চানেকীয়া, পানী জমা নোহোৱা মাটি নিৰ্বাচন কৰিব লাগে। ১ মিটাৰ বহল আৰু ১৫ ছে.মি. ওখ ভেটিত তামোল পচোৱা হয়। দৈৰ্ঘ্য প্ৰয়োজন অনুসৰি নিৰ্ণয় কৰিব পাৰি।

**তামোল পচোৱা নিয়ম ঃ** প্ৰতি বৰ্গ মিটাৰত এপাচি বা আনুমানিক ১০ কিলোগ্ৰাম পচন সাৰ দি প্ৰস্তুত কৰি লোৱা ভেটিত ১৫ ছে.মি. ব্যৱধানত একোটাকৈ তামোল পথালিকৈ আৰু একেমুৰাকৈ ৰুব লাগে। এইদৰে ৰোৱা তামোলবোৰ যাতে সম্পূৰ্ণকৈ মাটিৰে ঢাক খাই লক্ষ্য ৰাখিব লাগে। যিহেতু তামোল পচোৱা সময়ত বাৰিষাৰ বৰষুণ থাকেই, সেয়েহে পানী যোগান নহলেও হয়, অন্যথাই পানী যোগান ধৰিবলগীয়া হ'ব পাৰে। তামোল পচোৱাৰ ৩০ দিনৰ পৰা ৫৬ দিনৰ ভিতৰত গজালি মেলে। প্ৰথম ভেটিত তামোল পুলিবোৰ তিনিমহীয়া হোৱাৰ পাচতেই দ্বিতীয় এখন ভেটীলৈ নিয়াৰ আৱশ্যক হয়। এই সময়চোৱা সাধাৰণতে কাতি মাহ হয়। প্ৰথম ভেটিৰ পৰা দ্বিতীয় ভেটিলৈ পুলিবিলাক একোটিকৈ পীড় খান্দি নিয়া হয়। তাৰ আগতে আৱশ্যকীয় পৰিমাণৰ পচনসাৰ দি প্ৰস্তুত কৰি লোৱা দ্বিতীয় ভেটিত পুলিবোৰ ৩০ ছে.মি. ব্যৱধানত ৰোৱা হয়। এটা অতি আৱশ্যকীয় কথা হ'ল, ভৱিষ্যতলৈ তামোল গছত নেওৰীয়া নহ'বৰ কাৰণে আৰু ঠাই সলনি হোৱাৰ বাবে ৰ'দৰ তাপত পাতবোৰ দেই পুৰি নাযাবৰ বাবে পুলিবোৰ প্ৰথম ভেটিত থকাৰ দৰেই একেই দিশত ৰখা হয়। ইয়াৰ বাবে ভেটি সলাওঁতে পুলিবোৰ গাত একেই দিশত ৰঙেৰে চিন দি ল'ব লাগে। দ্বিতীয় ভেটিত পুলিবোৰক নিয়মিত বিৰতিত পানী যোগান ধৰা একান্তই প্ৰয়োজন।

**মূল বাৰীত তামোল ৰোৱা নিয়ম ঃ**

দ্বিতীয় ভেটিৰ পৰা পোনে পোনে তামোল পুলি মূল বাৰীলৈ নি ৰোৱা হয়। মূল বাৰীত ৰোৱা পুলিবোৰৰ বয়স সাধাৰণতে ১ বছৰ ৩ মহীয়া হোৱাৰ পৰা ২ বছৰ ৩ মহীয়া হোৱা উচিত। ইয়াতকৈ বেছি বয়সীয়া পুলি দ্বিতীয় ভেটিত ৰাখবলৈ অসুবিধা হয় আৰু মূল বাৰীত ৰুবলৈও ডাঙৰ গাত খান্দিবলগীয়া হৈ পৰে। ইয়াৰ ইফালৰ পৰা সিফাল কৰিবলৈ অসুবিধা হয়। এটা কথা মন কৰিব লাগে যে বেছি পাত থকাৰ আৰু ওখ পুলি বাছি ল'ব লাগে। মূল বাৰীত প্ৰতিজোপা তামোলৰ পৰা ওচৰজোপা ৰোৱা তামোলৰ ব্যৱধান হ'ল ২.৭ মিঃ। আমাৰ অসমত অতীজৰে পৰা তামোল কাতি মাহ অৰ্থাৎ মধ্য অক্টোবৰৰ পৰা মধ্য নৱেম্বৰ মাহত ৰোৱা হয়।

**তামোল খেতিত সাৰ প্ৰয়োগ ঃ**

সাৰ প্ৰয়োগ কৰি উৎপাদন বৃদ্ধি কৰিব পৰা সফলতা গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে। যদিও অসমৰ তামোল খেতিত সাৰ প্ৰয়োগ কৰা দেখা নাযায়, তথাপিও তলত দিয়া তালিকা অনুযায়ী সাৰ যোগান দি লাভৱান হ'ব পাৰিব।

| বয়স | সাৰ / পৰিমাণ যগছ | সময় | দূৰত্ব |
|---|---|---|---|
| ১ ম বছৰ | পচন সাৰ এপাচি<br>৫০ গ্ৰাম ইউৰিয়া<br>৪০ গ্ৰাম একক চুপাৰ ফচফেট<br>১০০ গ্ৰাম মিউৰেট অৰ পটাছ | বহাগ<br>কাতি | বৃত্তাকাৰে ৩০ ছে.মি. আঁতৰত ১৫-২০ ছে.মি. গভীৰ গাত কৰি সাৰ দিয়াৰ পাচত মাটিৰে ঢাকি দিব। |
| ২ য় বছৰ | - ঐ - | - ঐ - | বৃত্তাকাৰে ৪৫ ছে.মি. আঁতৰত ১৫-২০ ছে.মি. গভীৰ গাত কৰি সাৰ দিয়াৰ পাচত মাটিৰে আগৰ দৰে ঢাকি দিব। |
| ৩ য় বছৰ | - ঐ - | - ঐ - | বৃত্তাকাৰে ৭৫ ছে.মি. আঁতৰত ১৫-২০ ছে.মি. গভীৰ গাত কৰি সাৰ দিয়াৰ পাচত মাটিৰে আগৰ দৰে ঢাকি দিব। |
| ৪ ৰ্থ ও ৫ ম বছৰ | - ঐ - | - ঐ - | বৃত্তাকাৰে ৬০ ছে.মি. আঁতৰত ১৫ ছে.মি. গভীৰ গাত কৰি সাৰ দিয়াৰ পাচত মাটিৰে আগৰ দৰে ঢাকি দিব। |
| ৬ ষ্ঠ বছৰ | পচন সাৰ এপাচি<br>১৫০ গ্ৰাম ইউৰিয়া<br>৪০ গ্ৰাম একক চুপাৰ ফচফেট<br>১৪০ গ্ৰাম মিউৰেট অৰ পটাছ | - ঐ - | বৃত্তাকাৰে ৭৫ ছে.মি. আঁতৰত ১৫-২০ ছে.মি. গভীৰ গাত কৰি সাৰ দিয়াৰ পাচত মাটিৰে আগৰ দৰে ঢাকি দিব। |

**পানী যোগান ঃ**

খৰালি সময়চোৱা তামোল ফলৰ বৃদ্ধিৰ সময়। এই সময়চোৱাত পৰ্যাপ্ত পৰিমাণে পানী নাপালে অভ্যন্তৰীণভাৱে ফলত ফালেমান সমস্যাই গা কৰি উঠে। তাৰোপৰি উপযুক্ত গুণৰ তামোল বা চুপাৰী পোৱা নাযায়। সেয়েহে খৰালিৰ সময়চোৱা মাহত অন্তত দুবাৰ পানী যোগানৰ ব্যৱস্থা ল'ব লাগে।

**তামোল খেতিৰ বিভিন্ন সমস্যা আৰু নিৰাময়কৰণ ঃ**

জৈৱিক আৰু অজৈৱিক দুয়োটা কাৰণতে তামোল গছ আৰু ফল উভয়তে ৰোগৰ উপৰিও অন্য সমস্যাই দেখা দিয়ে। ইয়াৰে তাৰ মূল সমস্যা কেইটামান আলোচনা কৰা হৈছে।

**(ক) বীজতলীত পুলি পঁচা ঃ**

বীজতলিত দীৰ্ঘকালীন ভাৱে পানী জমা হোৱা বা জেকা মাটি হ'লে পুলি পঁচা ৰোগে আক্ৰান্ত কৰিব পাৰে। মাটি নিৰ্বাচন কৰোঁতে লক্ষ্য ৰাখিব লাগে যাতে মাটিডোখৰ ওখ চানেকীয়া, ৰ'দ পৰা আৰু ছাঁ দিয়া ব্যৱস্থা থাকিব লাগে।

**(খ) পাত মৰহি ওলমি থকা ঃ**

নামনি অসমত বহু তামোল বাৰী গেনোডাৰমা নামৰ এবিধ ভেঁকুৰৰ দ্বাৰা আক্ৰান্ত হৈ ধ্বংসৰ গৰাহত পৰিছে। উজনি অসমত এতিয়াও এই বেমাৰে দেখা দিয়া নাই। এনে বেমাৰে দেখা দিয়া ঠাইত মাটিৰ ঢালৰি দিশে থকা তামোল গছ আক্ৰান্ত হয়। এনে বেমাৰৰ পৰা পৰিত্ৰাণ পোৱা টান। প্ৰথম অৱস্থাতেই দেখা দিয়া বেমাৰী গছজোপাৰ চাৰওকাষে এক মিটাৰ আঁতৰত ১ মি. দ আৰু ৩০ ছে.মি. বহল গাত খান্দি পৃথক কৰি গছজোপা আঁতৰাই পুৰি পেলাব লাগে।

**(গ) লাগনি গছত তামোল পঁচা ঃ**

তামোল লাগি থকা অৱস্থাত কেতিয়াবা তামোল পঁচা ৰোগে দেখা দিব পাৰে। ফাইথ'পথোৰা নামৰ এবিধ ভেঁকুৰে এই ৰোগ কৰে। বহাগ/জেঠ আৰু ভাদ/আহিন মাহত ১ শতাংশ বৰডো মিশ্ৰন তৈয়াৰ কৰি এজোপা গছত উঠি কাষৰ গছৰ তামোলবোৰত স্প্ৰেয়াৰৰ সহায়ত ছটিয়াই এই ৰোগ প্ৰতিৰোধ কৰিব পাৰি।

**(ঘ) ফুল আৰু কলি সৰি পৰা ঃ**

পুষ্টিহীনতা, পৰাগৰেণু, সংযোজনৰ অভাৱ, তাপমানৰ তাৰতম্যতা আৰু কেতিয়াবা ধুমুহাৰ কাৰণে তামোলৰ ফুল আৰু কলি সৰি পৰা দেখা যায়। ধুমুহা বাদ দি অন্য কাৰণত হোৱা এনে সমস্যা নিয়মীয়া সাৰ-পানী যোগান দি নোহোৱা কৰিব পাৰি।

**(ঙ) তামোল ফাট মেলা ঃ**

তামোলবোৰ পুৰঠ হোৱাৰ আগতেই মাঘ /ফাগুন মহীয়া অকালত পকা ৰং ধৰি তামোল ফটা দেখা যায়। সাধাৰণতে এনে সমস্যা ১ ম আৰু ২ য় ঠোকতহে দেখা যায়। খৰালিৰ কালচোৱাত পানীৰ অভাৱ আৰু পুষ্টিহীনতাৰ বাবেই এনে সমস্যা হয়।

**(চ) তামোল ফুলা ঃ**

অসমত জেঠ-আহাৰ মাহত তামোল পকিবলৈ আৰম্ভ কৰে। খৰাং সময়চোৱাত পানী নোপোৱা তামোল গছবোৰতেই এনে সমস্যাই গা কৰি উঠে। আগ বাৰিষা হঠাৎ পোৱা পানীৰ বাবেই তামোলবোৰ আকাৰত ফুলি ডাঙৰ হৈ উঠে। এনে সমস্যা ৩ য় ঠোকটোত দেখা নাযায়। সাধাৰণতে কম বয়সীয়া তামোল গছত এনে সমস্যা বেছি হয়। সেয়েহে এই সমস্যাৰ পৰিত্ৰাণ পাবলৈ পানী যোগানৰ ক্ষেত্ৰত নিয়মীয়া হোৱাতো একান্ত প্ৰয়োজন।

**(ছ) শিৰ মৰা ঃ**

কেতিয়াবা তামোল ফালিলে ৰঙচুৱা হৈখাদ্য পৰিবাহী শিৰবিলাক জিলিকি থকা তামোলত শিৰমৰা বুলি কোৱা হয়। এনে তামোল খালে খৰতকীয়াকৈ মূৰত ধৰে। গা-গছৰ গুৰিভাগ টান হ'লে বা অতি কম পৰিমাণে পানী পালে তামোলত গোটটোত শিৰ দেখা যায়।

**(জ) নেওৰীয়া হোৱা ঃ**

বিশেষকৈ তামোল বাৰীবিলাকৰ দক্ষিণ দিশত এনে সমস্যা বেছি দেখা যায়। দিশ সলনি কৰি মূল বাৰীত অন্য দিশত ৰোৱা তামোলত ক্ষেত্ৰত পিচলৈ মধ্যম (১৫ বছৰৰ ওপৰৰ) বয়সতহে এই সমস্যাই দেখা দিয়ে। ইয়াৰ মূল কাৰণ হিচাবে দক্ষিণ দিশে পুৱাৰ পৰা গোটেই দিনটো ৰ'দ পৰা বাবেই হয় বুলি ঠাৱৰ কৰা হৈছে। দিশ সলনি নোহোৱা তামোলত ক্ষেত্ৰত এনে হোৱা দেখা নাযায়।

*****

**(উৎস ঃ গৱেষণা সঞ্চালকালয়, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫ ০১৩)**